**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2025
**Time:** 19-50 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া সমগ্ৰ দেশবাসীকে শুভেচ্ছা জ্ঞাপন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কাইলৈ লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

৩। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে।

৪। নিৰ্বাচন আয়োগে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সম্পন্ন কৰাক লৈ কংগ্ৰেছে দ্বৈত স্থিতি গ্ৰহণ কৰা বুলি বিজেপিয়ে অভিযোগ কৰিছে।

আৰু

৫। জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ পড্ডাৰ অঞ্চলত হোৱা ডাৱৰ বিস্ফোৰণত কমেও ১০ জন লোক নিহত হোৱাৰ আশংকা কৰা হৈছে।

০০০০০০০

স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস প্ৰতিগৰাকী ভাৰতীয়ই উৎসাহ-উদ্দীপনাৰে পালন কৰাটো আমাৰ সকলোৰে বাবে গৌৰৱৰ বিষয়। এই বিশেষ দিনকেইটাই আমাক ভাৰতীয় হোৱাৰ গৌৰৱক সোঁৱৰাই দিয়ে। স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া দেশবাসীক উদ্দেশি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশবাসীক শুভেচ্ছা জনাই এইদৰে প্ৰকাশ কৰে। ১৫ আগষ্টৰ দিনটোৰ বহু স্মৃতি আমাৰ মনত গভীৰভাৱে শিপাই আছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে ঔপনিৱেশিক শাসনৰ দীঘলীয়া সময়ছোৱাত অনেক প্ৰজন্মই স্বাধীনতাৰ সপোন দেখিছিল। তেওঁলোকৰ এই আশাৰ মনোভাৱে স্বাধীনতাৰ পৰৱৰ্তী সময়ত দেশৰ প্ৰগতিত শক্তি যোগাই আহিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে কাইলৈ ত্ৰিৰংগ পতাকাক সন্মান জনোৱাৰ সময়ত ৭৮ বছৰ পূৰ্বে ভাৰতৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়া সকলো স্বাধীনতা যুঁজাৰুৰ স্মৃতিতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব।

ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ বিভাজনৰ সময়ৰ যন্ত্ৰণাৰ কথা পাহৰি যোৱা উচিত নহয বুলি উল্লেখ কৰি সমগ্ৰ দেশতে আজি বিভাজন বিভিষিকা স্মৃতি দিৱস পালন কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে আমাৰ সংবিধানত গণতন্ত্ৰক সুদৃঢ় কৰি ৰখা চাৰিটা স্তম্ভ বা প্ৰমূল্য আছে আৰু এইকেইটা হৈছে ন্যায়, স্বতন্ত্ৰতা, সমতা আৰু ভাতৃত্ববোধ। তেওঁ কয়, যে এই প্ৰমূল্যসমূহ হৈছে আমাৰ সভ্যতাৰ এনে সিদ্ধান্ত যিসমূহ স্বাধীনতা সংগ্ৰামৰ সময়ত পুনৰ জীৱন্ত কৰি তোলা হৈছিল। প্ৰতিগৰাকী ব্যক্তিয়েই সমান আৰু সকলোৰে সৌহাদ্যপূৰ্ণ ব্যৱহাৰ পোৱাটো তেওঁলোকৰ অধিকাৰ বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে স্বাস্থ্য সেৱাৰ পৰা শিক্ষালৈকে সকলোৰে সমান সুযোগ আৰু সুবিধা লাভ কৰা উচিত। এই সিদ্ধান্তসমূহক

সৰ্বোপৰি বুলি গ্ৰহণ কৰিয়েই ১৯৪৭ চনত এটা নতুন যাত্ৰা আৰম্ভ কৰা হৈছিল বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

শ্ৰীমতী মুৰ্মুৱে অৰ্থনৈতিক ক্ষেত্ৰত দেশৰ সফলতাসমূহৰ কথা উল্লেখ কৰি কয়, যে বিগত বিত্তীয় বৰ্ষত ছয় দশমিক পাঁচ শতাংশ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰেৰে ভাৰত বিশ্বৰ মুখ্য অৰ্থ ব্যৱস্থাসমূহৰ ভিতৰত দ্ৰুত বিকশিত দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে গোলকীয় অৰ্থ ব্যৱস্থাত থকা সমস্যাসমূহৰ স্বত্বেও ঘৰুৱা চাহিদাৰ দ্ৰুত বৃদ্ধিৰ গতি অব্যাহত আছে। তেওঁ লগতে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত আছে আৰু ৰপ্তানি বৃদ্ধি পাইছে বুলি মন্তব্য কৰে।

ৰাষ্ট্ৰীপতিগৰাকীয়ে কয়, যে সুশাসনৰ জৰিয়তে বহুসংখ্যক লোকক দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰা হৈছে। চৰকাৰে দুখীয়া লোকসকলৰ উপৰি দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অহাৰ পাছতো শক্তিশালী স্থিতি লাভ নকৰা লোকসকলৰ বাবেও বিভিন্ন কল্যাণকামী আঁচনি ৰূপায়ণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে এই কল্যাণকামী প্ৰয়াস সমাজসেৱাৰ ক্ষেত্ৰত বৰ্ধিত ব্যয়ত পৰিলক্ষিত হৈছে আৰু ইয়াৰ ফলত উপাৰ্জনৰ অসমতা হ্ৰাস পোৱাৰ লগতে আঞ্চলিক বৈষম্যও হ্ৰাস পাইছে। ভাৰতমালা আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে এই ক্ষেত্ৰত কাশ্মীৰ উপত্যকাত ৰে'ল যোগাযোগ ব্যৱস্থাৰ শুভাৰম্ভ এটা উল্লেখনীয় সাফল্য বুলি মন্তব্য কৰে। ইপিনে স্বাস্থ্যখণ্ডৰ সফলতা সন্দৰ্ভত ৰাষ্ট্ৰপতিগৰকীয়ে কয়, যে বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য সেৱা আঁচনি আয়ুষ্মণ ভাৰতৰ অধীনত চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত ইতিমধ্যে ৫৫ কোটিৰো অধিক লোকক সামৰি লোৱা হৈছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে চৰকাৰে ৭০ বছৰ বা তাতোধিক বয়সৰ জ্যেষ্ঠ নাগৰিকক এই যোজনাৰ সুবিধা প্ৰদান কৰিছে। তেওঁ কৃত্ৰিম বুদ্ধিমত্তাক উন্নত প্ৰযুক্তিৰ পৰৱৰ্তী পৰ্যায় বুলি উল্লেখ কৰি চৰকাৰে দেশৰ কৃত্ৰিম বুদ্ধিমত্তাৰ সামৰ্থ বৃদ্ধিৰ বাবে ইণ্ডিয়া- এ আই অভিযান আৰম্ভ কৰিছে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত ভাৰতক গোলকীয় কৃত্ৰিম বুদ্ধিমত্তাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ আকাংশা পুৰণৰ দিশত সাধাৰণ লোকৰ বাবে প্ৰযুক্তিৰ সৰ্বোত্তম ব্যৱহাৰ আৰু শাসন ব্যৱস্থাৰ সংস্কাৰৰ জৰিয়তে তেওঁলোকৰ জীৱন উন্নত কৰাত গুৰুত্ব দিব লাগিব।

ৰাষ্ট্ৰপতি মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া সকলোকে পৰিৱেশ সুৰক্ষাৰ বাবে যথাসম্ভৱ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। দেশৰ সীমান্তৰ সুৰক্ষাত ব্ৰতী হৈ থকা সৈনিক, আৰক্ষী তথা কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ লোকসকলক বিশেষ গুৰুত্ব দি ৰাষ্ট্ৰপতিয়ে ন্যায় পালিকা আৰু অসামৰিক সেৱাৰ সদস্যসকলকো স্বাধীনতা দিৱসৰ শুভকামনা জ্ঞাপন কৰে। তেওঁ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসত কৰ্মৰত বিষয়া তথা প্ৰবাসী ভাৰতীয়সকলকো স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

সমগ্ৰ দেশে কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ দৃষ্টিভংগীৰ দিশে দেশ ধাৱমান হোৱাৰ সময়ত উদযাপিত এইবাৰৰ স্বাধীনতা দিৱসৰ মূল বিষয়বস্তু হৈছে – 'নতুন ভাৰত'। এই উদযাপনে সমৃদ্ধিশালী, সুৰক্ষিত আৰু সাহসী নতুন ভাৰতৰ ক্ৰমৱৰ্ধমান উত্থানৰ বাবে এখন মঞ্চ হিচাপে কাম কৰিব আৰু প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাৰ বাবে নতুন শক্তি যোগান ধৰিব। এইবেলি স্বাধীনতা দিৱসত অপাৰেচন সিন্দূৰৰ সাফল্য উদযাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ বাবে অপাৰেচন সিন্দূৰৰ ল'গ'ৰ লগতে চেনাব

দলঙৰ ৱাটাৰমাৰ্কযুক্ত নিমন্ত্ৰণ পত্ৰ ব্যৱহাৰ কৰা হৈছে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰায় ৫ হাজাৰ বিশেষ অতিথিক লালকিল্লাত স্বাধীনতা দিৱস উদযাপনৰ অনুষ্ঠান চাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। ইয়াৰ ভিতৰত বিশেষ অলিম্পিক ক্ৰীড়া মহোৎসৱ, ২০২৫-ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈৰ দল, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত পদক বিজেতা আৰু খেল' ইণ্ডিয়া পেৰা গেমছত সোণৰ পদক বিজয়ী খেলুৱৈসকল আছে। জনসাধাৰণক দেশপ্ৰেমৰ ভাৱনাৰে উদ্বুদ্ধ কৰাৰ লগতে অপাৰেচন সিন্দূৰৰ সাফল্যৰ উদযাপনকল্পে স্বাধীনতা দিৱসৰ দিনা সন্ধিয়া প্ৰথমবাৰৰ বাবে দেশজুৰি ভালেসংখ্যক বেণ্ডে সংগীত পৰিৱেশন কৰিব। স্থলসেনা, নৌসেনা, বায়ুসেনা, উপকূলৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, ভাৰত-তিববত সীমান্ত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিন, সীমান্ত সুৰক্ষা বাহিনী, এছ্ এছ্ বি, ৰে'ল সুৰক্ষা বাহিনী, সংহত প্ৰতিৰক্ষা গোট আৰু আছাম ৰাইফল্‌ছ্‌ৰ বেণ্ডে সমগ্ৰ দেশৰ ১৪০ টা গুৰুত্বপূৰ্ণ স্থানত সংগীতৰ সুৰ পৰিৱেশন কৰিব।

0000000

নতুন দিল্লীৰ লাল কিল্লাত কাইলৈ স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত ৰাষ্ট্ৰীয় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কেন্দ্ৰ যোজনাৰ অধীনত বিশেষ অতিথি হিচাপে ১০০ গৰাকী হিতাধিকাৰীক তেওঁলোকৰ পতি বা পত্নীৰ সৈতে অংশগ্ৰহণৰ বাবে চৰকাৰে আমন্ত্ৰণ জনাইছে। এই হিতাধিকাৰীসকলৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্য আৰু ছখন কেন্দ্ৰীয় শাসিত অঞ্চলকে ধৰি কেইবাখনো ৰাজ্যৰ গাঁও আৰু নগৰ অঞ্চলৰ লোক আছে। কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝি আৰু ৰাজ্য মন্ত্ৰী সুভা কৰণ্ডলাজে এই অতিথিসকলৰ সন্মানাৰ্থে স্বাধীনতা দিৱসৰ দিনা সান্ধ্য ভোজৰ আয়োজন কৰিছে।

0000000

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে।

সীমান্ত সুৰক্ষা বাহিনী- বি এছ্ এফৰ ১৬ জন সাহসী সীমা প্ৰহৰীলৈ অপাৰেচন সিন্দূৰৰ সময়ত দেখুওৱা অদম্য সাহস আৰু বীৰত্বৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বি এছ্ এফে কয়, যে এই পদক হৈছে – ভাৰতৰ প্ৰতিৰক্ষাৰ প্ৰথম শাৰীত থকা জোৱানসকলৰ প্ৰতি দেশৰ বিশ্বাস আৰু আস্থাৰ প্ৰতীক।

0000000

নিৰ্বাচন আয়োগে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সম্পন্ন কৰাক লৈ কংগ্ৰেছে দ্বৈত স্থিতি গ্ৰহণ কৰা বুলি বিজেপিয়ে অভিযোগ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা গজেন্দ্ৰ সিং শেখাৱতে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সাংবিধানিক সংস্থাসমূহৰ সত্যনিষ্ঠতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰা আৰু এই বিষয়ত জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি অভিযোগ কৰে। শ্ৰী শেখাৱতে লগতে কংগ্ৰেছে ক্ষমতালৈ অহাৰ বাবে বিভিন্ন সময়ত অনৈতিক পদ্ধতি অৱলম্বন কৰা বুলি অভিযোগ কৰি কয়, যে ১৯৫২ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছে ৭৪ হাজাৰ ভোট অবৈধ বুলি ঘোষণা কৰি ড০ বি আৰ আম্বেদকাৰক জয়লাভত বাধা প্ৰদান কৰিছিল।

0000000

জম্মু-কাশ্মীৰৰ কিস্তৱাৰ জিলাৰ পড্ডাৰ অঞ্চলত হোৱা ডাৱৰ বিস্ফোৰণত কমেও ১০ জন লোক নিহত হোৱাৰ আশংকা কৰা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে ডাৱৰ বিস্ফোৰণৰ ঘটনাটো **চৌশিতী** নামৰ গাঁওখনত সংঘটিত হৈছে। মাছাইল মাতা যাত্ৰাত অংশগ্ৰহণ কৰা তীৰ্থযাত্ৰীসকলে এই চৌশিতী গাঁৱলৈ গাড়ী-মটৰেৰে যাত্ৰা কৰে। এই ডাৱৰ বিস্ফোৰণৰ ঘটনাৰ পাছতে মাছাইল মাতা যাত্ৰা প্ৰশাসনে বন্ধ কৰি দিছে। অঞ্চলটোত প্ৰশাসনে বৰ্তমান উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুলাৰ সৈতে ডাৱৰ বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত বাৰ্তালাপ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী শ্বাহে কয়, যে স্থানীয় প্ৰশাসনে সাহায্য আৰু উদ্ধাৰ অভিযান চলাই আছে। তেওঁ লগতে কয়, যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈছে আৰু চৰকাৰে সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ লগত ঠিয় দিছে। তেওঁ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য জনসাধাৰণলৈ আগবঢ়োৱাৰ নিশ্চয়তা প্ৰদান কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয়, যে প্ৰতিকূল বতৰৰ বাবে উদ্ধাৰ কাৰ্যত বাধাৰ সৃষ্টি হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সৈতে সমন্বয় স্থাপন কৰাৰ বাবে শ্ৰী সিঙে প্ৰচেষ্টা লৈছে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই এই ঘটনাত গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য আগবঢ়াব বুলি নিশ্চিতি প্ৰদান কৰিছে।

০০০০০০০

সমাপ্ত